# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-10-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় জনতা পাৰ্টী, অসম গণ পৰিষদ আৰু ইউ পি পি এল দলে নিৰ্বাচনী প্ৰস্তুতি অব্যাহত ৰাখিছে। ভাৰতীয় জনতা পাৰ্টীৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই দলটোৰ নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এইদৰে কয়।

বাইট

ইপিনে, উপ নিৰ্বাচনৰ প্ৰস্তুতিৰে আজি কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত বিৰোধী মৰ্চাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত কংগ্ৰেছৰ তত্বাৱধায়ক ডঃ জিতেন্দ্ৰ সিঙৰ উপস্থিতিত কংগ্ৰেছৰ নেতাসকলৰ লগতে বিৰোধী মৰ্চাৰ নেতাসকলে আসন্ন উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থিত্বৰ ভাগ-বটোৱাৰা সন্দৰ্ভত আলোচনা কৰে। বিৰোধী মৰ্চাৰ বৈঠক সন্দৰ্ভত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা বেদব্ৰত বৰাই এনেদৰে কয়।

বাইট

আনহাতে, ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও আজি অধিসূচনা জাৰি কৰা হ'ব। অহা ১৩ নৱেম্বৰত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৰাজ্যখনৰ ৪৩টা সমষ্টি সামৰি লোৱা হ'ব। ৰাজ্যখনত এইবেলি দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ২০ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। অহা ২৩ নৱেম্বৰত ৰাজ্যখনত ভোট গণনা কৰা হ'ব।

উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে প্ৰথমবাৰৰ বাবে প্ৰাৰ্থীৰ বাবে অনলাইন মনোনয়ন দাখিলৰ সুবিধা প্ৰদান কৰিছে। ঝাৰখণ্ডৰ মুখ্য নিৰ্বাচনী বিষয়াকে ৰবি কুমাৰে কয় যে মনোনয়ন প্ৰপত্ৰ subidha.gov.in পোৰ্টেলত উপলব্ধ। একাউণ্ট প্ৰস্তুত কৰি প্ৰাৰ্থীসকলে মনোনয়ন প্ৰপত্ৰ পূৰণ কৰিব পাৰিব। ইয়াৰ লগতে প্ৰাৰ্থীসকলে শপতনামা অনলাইনতো পূৰণ কৰিব পাৰিব। প্ৰপত্ৰ পূৰণৰ পাছত প্ৰিণ্ট আউট কৰি ইয়াক ৰিটাৰ্ণিং বিষয়া ওচৰত মনোনয়নৰ সৈতে দাখিল কৰিব পাৰিব।

০০০

দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি চৰাইদেউ জিলাত উপস্থিত হোৱা কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু যোগাযোগ বিভাগৰ ৰাজ্যমন্ত্ৰী ডাঃ পেমাছান্নি চন্দ্ৰশেখৰে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ বুজ লোৱাৰ লগতে অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চৰকাৰী বিভাগসমূহৰ মুৰববী বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, উদ্যোগ আৰু বাণিজ্য, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ অধীনত চলি থকা আঁচনিসমূহৰ খতিয়ান লয়। পৰ্যালোচনা বৈঠকত জিলাখনৰ জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্ত, সোণাৰি পৌৰসভাৰ পৌৰপতিৰ লগতে চৰকাৰী বিভাগৰ মুৰববী বিষয়াসকল উপস্থিত থাকে। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে ৰাজ্যমন্ত্ৰীগৰাকীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ প্ৰদানৰ ক্ষেত্ৰত বিশেষভাৱে সক্ষম আৰু তৃতীয় লিংগৰ ব্যক্তিকো সামৰি ল'বলৈ পৰামৰ্শ আগবঢ়ায়।

০০০

ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী উদযাপন সমিতিৰ উদ্যোগত নৱম শিৱসাগৰ গ্ৰন্থ উৎসৱত সাহিত্যিকগৰাকীৰ জন্ম শতবৰ্ষ অনুষ্ঠানৰ আয়োজন কৰা হয়। শিৱসাগৰ নগৰৰ বোৰ্ডিং খেলপথাৰত ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সাহিত্য ক্ষেত্ৰত আয়োজন কৰা কাৰ্যসূচীত সাহিত্যিকগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰি সাহিত্যিক  দীপালী ভট্টাচাৰ্য বৰুৱাই বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সাহিত্য কৰ্ম আজিও প্ৰাসংগিক হৈ আছে বুলি মন্তব্য কৰে। অনুষ্ঠানত ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কবিতাত প্ৰকৃতি আৰু ঐতিহ্যদ্যুতি সন্দৰ্ভত এটা বক্তৃতা প্ৰদান কৰা হয়।

০০০

ঃঃ সমাপ্ত ঃঃ